**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 24**-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::::::**

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত জি ৰাম জি অধিনিয়ম ২০২৫ৰ অধীনত খচৰা নিয়মাৱলী প্ৰকাশ কৰিছে।

৩। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ কানাডালৈ যাব।

৪। ইজৰাইলৰ সৈতে আলোচনাৰ পাছত ইৰান চুক্তি সন্দৰ্ভত প্ৰায় সহমত গঢ়ি উঠিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ক সাত উইকেটত পৰাস্ত কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বৈঠকত বিদেশ মন্ত্ৰীদ্বয়ে আঞ্চলিক আৰু গোলকীয় শান্তি-সুস্থিৰতাৰ সৈতে জড়িত বিভিন্ন বিষয়লৈ আলোচনা কৰিব।

শ্ৰী ৰুবিঅ'ই কোৱাদ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে চাৰি দিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। ইয়াৰ পাছতে বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে আৰু প্ৰতিৰক্ষা, কৌশলগত প্ৰযুক্তি, বাণিজ্য আৰু বিনিয়োগ, শক্তি-সুৰক্ষা, যোগাযোগ, শিক্ষা আৰু জনসম্পৰ্ককে ধৰি বিভিন্ন খণ্ডত দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ নিৰন্তৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে। শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু আমেৰিকাই বিশ্বৰ হিতৰ বাবে ঘনিষ্ঠভাৱে কাম কৰি যাব। শান্তি, প্ৰচেষ্টাৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে আলোচনা আৰু কূটনীতিৰ মাধ্যমেৰে সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানৰ বাবে আহ্বান জনায়।

বৈঠকত বিদেশ মন্ত্ৰী ৰুবিঅ'ই পশ্চিম এচিয়াৰ পৰিস্থিতিকে ধৰি বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আমেৰিকাৰ দৃষ্টিভংগী বিষয়ে অৱগত কৰে। তেওঁ ভাৰতক আমেৰিকা যুক্তৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ সহযোগী বুলি অভিহিত কৰে।

আমাৰ সংবাদদাতাই জনোৱা মতে কোৱাদ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠক ২৬ মে'ত অনুষ্ঠিত হ'ব। বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, অষ্ট্ৰেলিয়াৰ বিদেশৰ মন্ত্ৰী পেনি ৱং,

জাপানৰ বিদেশ মন্ত্ৰী ট'শ্বিমিতছু মটেগি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই ভাগ ল'ব। কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ মুক্ত আৰু স্বতন্ত্ৰ ভাৰত প্ৰশান্ত মহাসাগৰীয়া অঞ্চল দৃষ্টিভংগী অনুযায়ী তেওঁলোকে অগ্ৰাধিকাৰ প্ৰাপ্ত বিভিন্ন খণ্ডত কোৱাড সহযোগিতা আগবঢ়াই নিয়া সন্দৰ্ভত মত বিনিময় কৰিব, ৰাষ্ট্ৰগোষ্ঠীটোৰ বিভিন্ন উদ্যমৰ পৰ্যালোচনা কৰিব আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শেহতীয়া ঘটনাক্ৰম তথা পাৰস্পৰিক স্বাৰ্থ জড়িত অন্য আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব।

০০০০

চৰকাৰে বিকশিত ভাৰত জি ৰাম জি অধিনিয়ম ২০২৫ৰ অধীনত খচৰা নিয়মাৱলী প্ৰকাশ কৰিছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যিকোনো ব্যক্তি, পক্ষ, সংস্থা বা প্ৰতিষ্ঠানে খচৰা নিয়মাৱলী সন্দৰ্ভত ২১ জুন পৰ্যন্ত আপত্তি দাখিল কৰিব পাৰিব বা দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতীয় ব্যৱসায়ীসকলৰ এটা প্ৰতিনিধি দলৰ সৈতে তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ কানাডালৈ যাব। বাণিজ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণকালত শ্ৰী গোৱেল বাণিজ্য বিনিয়োগ আৰু ভাৰত-কানাডা সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি আলোচনা আগুৱাই নিয়াৰ উদ্দেশ্যে অটোৱা আৰু টৰণ্টোত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। উল্লেখযোগ্য যে, যোৱা মাৰ্চত কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ ভাৰত ভ্ৰমণৰ সময়ত এই চুক্তিৰ কাৰ্য পৰিসৰ চৰ্তাৱলী স্বাক্ষৰিত হৈছিল। এই সন্দৰ্ভত মাৰ্চত ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰথমলানি আৰু ৮ মে'ত দ্বিতীয়লানি আলোচনা অনুষ্ঠিত হৈছিল।

এইবাৰৰ ভ্ৰমণকালত অ'টোৱাত এই সন্দৰ্ভত আৰু এলানি আলোচনা অনুষ্ঠিত হ'ব। দুয়ো পক্ষই শীঘ্ৰে সন্তুলিত আৰু পৰস্পৰৰ বাবে লাভজনক সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তি সম্পাদন কৰাৰ বাবে কাম কৰি আছে। দুয়ো দেশে লগতে ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ সাত হেজাৰ কোটি কানাডিয়ান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০

ইজৰাইলৰ সৈতে আলোচনাৰ পাছত ইৰান চুক্তি সন্দৰ্ভত  প্ৰায় সহমত গঢ়ি উঠিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইৰানৰ সৈতে হ'বলগীয়া চুক্তিত হৰমুজ প্ৰাণালী পুনৰ মুকলি কৰাৰ বিষয়টো অন্তৰ্ভুক্ত কৰা হৈছে। শ্ৰী ট্ৰাম্পে কয়, যে চুক্তিৰ চূড়ান্ত দিশ আৰু সবিশেষ সম্পৰ্কে আলোচনা চলি আছে আৰু এই সন্দৰ্ভত শীঘ্ৰে ঘোষণা কৰা হ'ব। তেওঁ অৱশ্যে ঘোষণাৰ নিৰ্দিষ্ট সময় সন্দৰ্ভত কোনো মন্তব্য কৰাৰ পৰা বিৰত থাকে। ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে তেওঁ ইজৰাইলৰ উপৰি চৌডি আৰব, সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ- ইউ এ ই, কাটাৰ, পাকিস্তান, তুৰস্ক, ইজিপ্ত, জৰ্দান আৰু বাহৰেইনৰ সৈতে চুক্তিৰ বিষয়ে আলোচনা কৰিছে।

ইৰানৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ইছমাইল বাকাই ইয়াৰ পূৰ্বে আমেৰিকাই স্ববিৰোধী বিবৃতি দিয়া বুলি অভিযোগ উত্থাপন কৰে। ইৰানত ৮ এপ্ৰিলত যুদ্ধ বিৰতিৰ বাবে সহমত গঢ়ি উঠিছিল আৰু তেতিয়াৰে পৰা আমেৰিকা আৰু ইৰানৰ মাজত দীৰ্ঘকালীন শান্তি চুক্তিৰ বাবে আলোচনা চলি আছে। আমেৰিকাই ইৰানৰ বন্দৰসমূহ আৱদ্ধ কৰি ৰখাৰ বাবে ইৰানে হৰমুজ প্ৰণালী বন্ধ কৰি দিছে।

০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জীতেন্দ্ৰ সিঙে মাউণ্ট এভাৰেষ্ট সফলতাৰে আৰোহণ কৰাৰ ভাৰত তিববতীয় সীমান্ত আৰক্ষীৰ প্ৰথমটো মহিলা অভিযানকাৰী দলক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যম

যোগে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কালি কয় যে ভাৰতৰ কন্যাসকলে বিশ্ব দৰবাৰত ভাৰতৰ নাৰী শক্তিক পুনৰ উজ্জীৱিত কৰিছে।

ভাৰত তিববতীয় সীমান্ত আৰক্ষীৰ এই দলটোৰ অংশ হিচাপে লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিববতীয় সীমান্ত আৰক্ষী বাহিনীৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্ম টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰলকে  ধৰি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ছিকিম আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ পাদদেশৰ অঞ্চলবিশেষে আজি ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে দিল্লী, হাৰিয়ানা, চণ্ডিগড়, পূব উত্তৰ প্ৰদেশ, পূব মধ্য প্ৰদেশ আৰু বিদৰ্ভ অঞ্চলত আজি গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে, উত্তৰ-পশ্চিম, মধ্য আৰু পূব ভাৰতৰ ঠাইবিশেষে পৰৱৰ্তী ৬-৭ দিনলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক সাত উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৯৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত তিনিটা উইকেট হেৰুৱাই ২০০ ৰান কৰে। দলৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ১০১ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰভছিমৰন সিঙে ৬৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৯৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ যোছ ইংলিছে সৰ্বাধিক ৭২ ৰান কৰে। শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহি কেপিটেলছ কলকাতা নাইটৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ